**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 28-08-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

**---------------------------**

০০০০০০

এন ডি এৰ পঞ্চায়ত সন্মিলন আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ কাৰ্যসূচীত অংশ লোৱাৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি অসমলৈ আহিব। গৃহমন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ খানাপাৰাত আয়োজিত এন ডি এৰ পঞ্চায়ত সন্মিলন আৰু প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ জন্ম শতবাৰ্ষিকীৰ বছৰজোৰা কাৰ্যসূচী শুভাৰম্ভ কৰিব। শ্ৰীশ্বাহে কাইলৈ খানাপাৰা খেলপথাৰত হ'বলগীয়া পঞ্চায়ত প্ৰতিনিধি সন্মিলনৰ পৰাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰিব বুলি ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক পল্লৱ লোচন দাসে ঘোষণা কৰিছে। এই সন্মিলনত বিজেপি, অসম গণ পৰিষদ, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু জনশক্তিকে ধৰি এন ডি এৰ সকলো শীৰ্ষ নেতা উপস্থিত থাকিব। প্ৰায় ২০ হাজাৰ নিৰ্বাচিত জনপ্ৰতিনিধি এই সন্মিলনত উপস্থিত থকাৰ কথা। তদুপৰি কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ, ডিমা হাছাওকে ধৰি পৰিষদসমূহৰ নিৰ্বাচিত প্ৰতিনিধিসকলো এই অনুষ্ঠানত উপস্থিত থাকিব। সন্মিলনৰ পূৰ্বে শ্ৰী শ্বাহে অসম ৰাজভৱনৰ নতুন গৃহ উদ্বোধন কৰিব। ইয়াৰ পাছতে গৃহমন্ত্ৰীগৰাকীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ উদ্বোধনী কাৰ্যসূচীত অংশ ল'ব।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ সমাগত অসম ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে নতুন ৰাজভৱন পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বিভিন্ন দিশসমূহ প্ৰত্যক্ষ কৰে। তেওঁ সংশ্লিষ্ট বিষয়াসকলক যাৱতীয় কামসমূহ নিয়াৰিকৈ সমাপন কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই ফৰকাটিং আৰু নিউ তিনিচুকীয়াৰ মাজৰ ১৯৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথ দ্বৈতকৰণত অনুমোদন জনোৱাৰ বাবে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনাইছে। মন্ত্ৰীগৰাকীয়ে আজি সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে ৩ হাজাৰ ৬৩৪ কোটি টকা ব্যয়সাপেক্ষে ৰূপায়ণ কৰিবলগীয়া এই প্ৰকল্পই যোগাযোগ ব্যৱস্থা অধিক দ্ৰুত কৰি তুলিব আৰু সামগ্ৰী পৰিবহণৰ ব্যয় হ্ৰাস কৰিব। উল্লেখযোগ্য যে কেন্দ্ৰীয় মন্ত্ৰীসভাই কালি অসমৰ উপৰি কৰ্ণাটক, তেলেংগানা আৰু বিহাৰৰ বাবে মুঠ ১২ হাজাৰ ৩২৮ কোটি টকা ব্যয়সাপেক্ষ চাৰিটা প্ৰকল্পত অনুমোদন জনায়। এই প্ৰকল্পসমূহৰ জৰিয়তে ভাৰতীয় ৰে'ল নেটৱৰ্কত ৫৬৫ কিলোমিটাৰ পথ সংযুক্ত হ'ব।

০০০০০০০

ৰাজ্যৰ ভক্তি আন্দোলনৰ অন্যতম হোতা বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰক শ্ৰী শ্ৰী হৰিদেৱৰ আজি পৱিত্ৰ আবিৰ্ভাৱ তিথি। শ্ৰীশ্ৰী হৰিদেৱে সমাজক আধ্যাত্মিকতাৰ অমলিন বাট দেখুৱাই মানেৰি, বহৰি, কৈহাটী আদি সত্ৰসমূহ স্থাপন

কৰিছিল। ইয়াৰ উপৰি তেওঁ শৰণ সংহিতা, ভক্তিৰস তৰংগিনী, হৰিনাম কীৰ্তন পদ্ধতি আদি আপুৰুগীয়া গ্ৰন্থৰ ৰচনাৰে অসমীয়া ভাষাক সমৃদ্ধ কৰি থৈ গৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আৱিৰ্ভাৱ তিথি উপলক্ষে বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰকগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰিছে।

০০০০০০০

ত্ৰিপুৰা ৰাজ্যিক বিদ্যুৎ নিগমে ২৭১ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'লপথৰ ১০০ শতাংশ বৈদ্যুতিকীকৰণ সম্পূৰ্ণ কৰিছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেই এই কাম সম্পূৰ্ণ কৰিছে। ত্ৰিপুৰাত ৰাষ্ট্ৰীয় ৰে'ল গ্ৰীডৰ সৈতে বৈদ্যুতিক ৰে'লগাড়ীৰে সংযুক্ত কৰাৰ উদ্দেশ্যে ২০২২ চনত ৪৬ কোটি টকা ব্যয়েৰে বৈদ্যুতিকীকৰণৰ এই প্ৰকল্প আৰম্ভ কৰা হৈছিল। অসমৰ বদৰপুৰ ষ্টেচন আৰু ত্ৰিপুৰাৰ জিৰানিয়া ষ্টেচনৰ মাজত বৈদ্যুতিক ইঞ্জিনচালিত প্ৰথমখন মালগাড়ীৰ পৰীক্ষামূলক চলাচল ইতিমধ্যে সম্পন্ন কৰা হৈছে। ইয়াৰ পাছত আগৰতলা আৰু অসমৰ অৰুণাচল জংচনৰ মাজত বিদ্যুৎচালিত যাত্ৰীবাহী ৰে'লৰ পৰীক্ষামূলক যাত্ৰা সম্পন্ন কৰা হৈছে।

০০০০০০০

বি টি চি নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতেই বি টি চিত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। চিৰাং জিলাৰ বিজনীৰ মাজৰাবাৰী ১৭ নম্বৰ সবাইঝাৰ সমষ্টিত কালি বি পি এফৰ মুৰববী হাগ্ৰামা মহিলাৰীয়ে দলীয় প্ৰাৰ্থী ধীৰাজ বৰগয়াৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

০০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ক বিৰল ৰোগৰ চিকিৎসাৰ সৰ্বোৎকৃষ্ট কেন্দ্ৰ হিচাপে স্বীকৃতি প্ৰদান কৰিছে। উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমখন চিকিৎসা শিক্ষানুষ্ঠান ঐতিহ্যমণ্ডিত অসম চিকিৎসা মহাবিদ্যালয়ক বিৰল ৰোগৰ চিকিৎসাৰ সৰ্বোৎকৃষ্ট কেন্দ্ৰৰূপে এই স্বীকৃতি প্ৰদান কৰাৰ ফলত চিকিৎসা মহাবিদ্যালয়খনে সমগ্ৰ দেশৰ চিকিৎসা আৰু স্বাস্থ্যক্ষেত্ৰত নিজৰ নাম উজ্বলাই তুলিবলৈ সমৰ্থ হৈছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় বিৰল ৰোগ নীতি ২০২১ৰ অধীনত এই স্বীকৃতি প্ৰদান কৰা হৈছে। এই সন্মানে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম আৰু দেশৰ ১৫ খন উৎকৃষ্ট কেন্দ্ৰৰ ভিতৰত এখন হিচাপে অসম চিকিৎসা মহাবিদ্যালয়ক চিকিৎসা সেৱা আৰু গৱেষণাৰ ক্ষেত্ৰখনত নতুন মাত্ৰা প্ৰদান কৰিলে।

০০০০০০০

অসম পুৰুষ ক্ৰিকেট দল আৰু নেপালৰ পুৰুষ এ-দলৰ মাজত আজিৰে পৰা ৫ খন বন্ধুত্বমূলক টি-২০ খেল অনুষ্ঠিত হ'ব। ১ ছেপ্টেম্বৰলৈকে হ'বলগীয়া খেলকেইখন গুৱাহাটী বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়াম আৰু ফুলুংস্থিত এ চি এ ক্ৰিকেট একাডেমী খেলপথাৰত অনুষ্ঠিত হ'ব। শৃংখলাটোৱে ভাৰত আৰু নেপালৰ মাজত থকা ক্ৰীড়া সহযোগিতা সুদৃঢ় কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। সুমিত ঘড়িগাৱকাৰক অসম দলৰ নেতৃত্ব প্ৰদান কৰা হৈছে।

০০০০০০০

**সমাপ্ত**